# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বেংগালুৰুত পতাকা জোকাৰি ৩ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

২। দেশত সেউজ বিপ্লৱৰ গুৰি ধৰা এম. এছ. স্বামীনাথনৰ অৱদানৰ কথা কেতিয়াও পাহৰিব পৰা নাযায় বুলি প্ৰাক্তন উপ ৰাষ্ট্ৰপতি এম. ভেংকায়া নাইডুই প্ৰকাশ কৰিছে।

৩। নিৰ্বাচন আয়োগে বিগত ৬ বছৰত কমেও এবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অনিবাৰ্য চৰ্ত পূৰণ কৰাত ব্যৰ্থ হোৱা ৩৩৪টা অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলক তালিকাৰ পৰা বাদ দিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াৰ মাজত অহা ১৫ আগষ্টত আলাস্কাত হ'বলগীয়া আলোচনাৰ প্ৰতি ভাৰতে আদৰণি জনাইছে।

*আৰু*

৫। ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাইছীয়ে কোৱান্টবক্স চেন্নাই গ্ৰেণ্ড মাষ্টাৰ দবা প্ৰতিযোগিতাত দ্বিতীয় স্থানলৈ উন্নীত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে বেংগালুৰুৰ কে. এছ. আৰ. ষ্টেচনৰ পৰা পতাকা জোকাৰি ৩ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই ৰে'লগাড়ী ৩ খন বেংগালুৰুৰ পৰা বেলগাৱী, অমৃতসৰৰ পৰা শ্ৰীমাতা বৈষ্ণ'দেৱী আৰু নাগপুৰৰ অজনিৰ পৰা পুনেৰ মাজত চলাচল কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে বেংগালুৰু মেট্ৰৰ য়েল্লো লাইনেৰে ৰে'ল চলাচলৰ শুভাৰম্ভ কৰিব আৰু ৰাগিগুড্ডাৰ পৰা ইলেকট্ৰনিক চিটি মেট্ৰ ষ্টেচনলৈ মে'ট্ৰ ৰে'লেৰে যাত্ৰা কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে বেংগালুৰুত ভালেমান নগৰীয়া যোগাযোগ প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব আৰু জনসভাত ভাষণ দিব। শ্ৰীমোদীয়ে ১৫ হাজাৰ ৬০০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া বেংগালুৰু মেট্ৰ' প্ৰকল্পৰ তৃতীয় পৰ্যায়ৰ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য ৪৪ কিলোমিটাৰো অধিক হ'ব আৰু এই পথচোৱাত ৩১টা এলিভেটেড ষ্টেচন থাকিব।

oooooo

দেশত সেউজ বিপ্লৱৰ গুৰি ধৰা এম. এছ. স্বামীনাথনৰ অৱদানৰ কথা কেতিয়াও পাহৰিব পৰা নাযায় বুলি প্ৰাক্তন উপ ৰাষ্ট্ৰপতি এম. ভেংকায়া নাইডুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত এম. এছ. স্বামীনাথন শতবাৰ্ষিকী আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি শ্ৰীনাইডুৱে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰফেচাৰ স্বামীনাথন এগৰাকী পৰিকল্পনাকাৰী, বিজ্ঞানী, গৱেষক আৰু সৰ্বোপৰি এগৰাকী মানৱতাবাদী আছিল। এম. এছ. স্বামীনাথনৰ ভৱিষ্যদৰ্শী কাম-কাজে দেশৰ ভাগ্য সলনি কৰা বুলি শ্ৰীনাইডুৱে উল্লেখ কৰে। তেওঁ কয়, যে যি সময়ত দেশ খাদ্য অভাৱৰ সন্মুখীন হৈছিল সেই সময়ত এই বিজ্ঞানীগৰাকীয়ে সেউজ বিপ্লৱৰ বৈজ্ঞানিক আধাৰশিলা স্থাপন কৰিছিল। এই সফলতাই ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ যাত্ৰা সুনিশ্চিত কৰিছিল বুলি শ্ৰীনাডুৱে উল্লেখ কৰে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কাশ্মীৰলৈ প্ৰথমখন মালবাহী ৰে'লগাড়ীৰ চলাচলক প্ৰশংসা কৰিছে। অঞ্চলটোক মালবাহী নেটৱৰ্কৰ সৈতে সংযোগ কৰাৰ ক্ষেত্ৰত ই এটা উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ উত্তৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে জম্মু-কাশ্মীৰৰ বাণিজ্য আৰু সংযোগৰ বাবে এয়া এটা উল্লেখযোগ্য পদক্ষেপ আৰু এই উন্নয়নে প্ৰগতি আৰু সমৃদ্ধি দুয়োটাই বৃদ্ধিত সহায় কৰিব। শ্ৰীবৈষ্ণৱে কালি নিজ বাৰ্তাত কয়, যে কালি প্ৰথমখন মালবাহী ৰে'লগাড়ী পঞ্জাৱৰপৰা কাশ্মীৰৰ অনন্তনাগত উপস্থিত হয়। ৰে'ল নেটৱৰ্কৰ জৰিয়তে এই পৰিবহণে কাশ্মীৰ উপত্যকাত বসবাস লোকসকলৰ বিভিন্ন ক্ষেত্ৰত ব্যয় হ্ৰাস কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। চিমেণ্ট কঢ়িওৱা কাশ্মীৰ উপত্যকা সংযোগী এই প্ৰথমখন মালগাড়ীয়ে ১৮ ঘণ্টাত প্ৰায় ৬০০ কিলোমিটাৰ দূৰত্ব সামৰি লয়। এই সাফল্যৰ পাছত ভাৰতীয় ৰে'লৱেৰ মালবাহী কৰিডৰৰ মানচিত্ৰৰ কাশ্মীৰ উপত্যকাৰো নাম সংযোজিত হৈছে আৰু ইয়াৰ ফলত অঞ্চলটোলৈ সামগ্ৰী অনা-নিয়াৰ ব্যৱস্থা সুচল হৈ উঠিছে। এই উন্নয়নে পৰিৱহণ ব্যয় হ্ৰাস কৰি আৰু শ্ৰীনগৰ-জম্মুলৈ সামগ্ৰীৰ চলাচল সুচল কৰি স্থানীয় অৰ্থনীতিত উন্নতি সাধন কৰিব বুলি আশা কৰা হৈছে ।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সমগ্ৰ ভাৰততে ঘৰে ঘৰে ত্ৰিৰংগা যাত্ৰাত জনসাধাৰণৰ অংশগ্ৰহণৰ প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোডীয়ে কয়, যে এই যাত্ৰাই দেশৰ জনসাধাৰণক একত্ৰিত কৰি গভীৰ দেশপ্ৰেমমূলক মনোভাৱ আৰু ত্ৰিৰংগাৰ প্ৰতি তেওঁলোকৰ গৌৰৱক প্ৰতিফলিত কৰিছে। তেওঁ

লগতে harghartiranga.com পৰ্টেলত ফটো আৰু চেলফি আপলোড কৰিবলৈও জনসাধাৰণক আহ্বান জনায়।

০০০০০০

নিৰ্বাচন আয়োগে ২০১৯ চনৰে পৰা বিগত ৬ বছৰত কমেও এবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অনিবাৰ্য চৰ্ত পূৰণ কৰাত ব্যৰ্থ হোৱা দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৩৪টা অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলক তালিকাৰ পৰা বাদ দিছে। এই দলসমূহৰ কাৰ্যালয়ৰো কোনো সন্ধান পোৱা হোৱা নাই। উল্লেখযোগ্য যে, জনপ্ৰতিনিধিত্ব আইনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ নাম নিৰ্বাচন আয়োগত পঞ্জীয়ন কৰা হয়।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াৰ মাজত অহা ১৫ আগষ্টত আলাস্কাত হ'বলগীয়া আলোচনাৰ প্ৰতি ভাৰতে আদৰণি জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে এই বৈঠকে ইউক্ৰেইনৰ বৰ্তমানৰ সংঘৰ্ষৰ অৱসানৰ প্ৰতিশ্ৰুতি আৰু শান্তিৰ সম্ভাৱনা কঢ়িয়াই আনিছে। বিবৃতিটোত লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন উপলক্ষত বৰ্তমান যুদ্ধৰ সময় নহয় বুলি কোৱা বুলি উল্লেখ কৰা হৈছে। ভাৰতে দুয়োখন দেশৰ মাজত হ'বলগীয়া আলোচনা আৰু শান্তি স্থাপনৰ যিকোনো প্ৰচেষ্টাৰ সমৰ্থন কৰে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদন পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ১ লাখ ৫১ হাজাৰ কোটি টকা হৈছে। এই পৰিমাণ যোৱা বছৰৰ ১ লাখ ২৭ হাজাৰ কোটি টকাতকৈ ১৮ শতাংশ অধিক। এই সাফল্যক প্ৰশংসা কৰিপ্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াক প্ৰতিৰক্ষা ঔদ্যোগিক আধাৰৰ সৱলীকৰণৰ স্পষ্ট সংকেত বুলি অভিহিত কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই সাফল্যৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিৰক্ষা উৎপাদন বিভাগ আৰু সংশ্লিষ্ট অন্য পক্ষসমূহৰ শলাগ লৈছে।

০০০০০০

দিল্লীৰ এখন বিশেষ আদালতে ক'লা ধন বৈধকৰণৰ গোচৰত বিধি বলবৎকাৰী সঞ্চালকালয়ৰ অভিযোগ নিজাববীয়াকৈ বিবেচনা কৰি গুৰুগ্ৰামৰ বিবদমান ভূমি চুক্তি সন্দৰ্ভত কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ স্বামী তথা ব্যৱসায়ী ৰবাৰ্ট ভাদ্ৰালৈ জাননী জাৰী কৰিছে আৰু ২৮ আগষ্টৰ ভিতৰত জাননীৰ উত্তৰ দিবলৈ কৈছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে এই ঘটনাত ভাদ্ৰাই ৫৮ কোটি টকা লাভ কৰা বুলি অভিযোগ কৰিছে। ৰবাৰ্ট ভাদ্ৰা আৰু অন্যান্যসকলৰ বিৰুদ্ধে দাখিল কৰা অভিযোগ নামাত তদন্তকাৰী সংস্থাটোৱে স্কাইলাইট হস্পিটালিটীৰ জৰিয়তে ৫৩ কোটি আৰু ব্লু ব্ৰীজ ট্ৰেডিঙৰ মাধ্যমেৰে ৫ কোটি টকা প্ৰেৰণ কৰা বুলি কোৱা হৈছে। ভাদ্ৰাই এই ধণৰাশি স্থাৱৰ সম্পত্তিৰ আহৰণ, বিনিয়োগ, ঋণ প্ৰদান আৰু

নিজৰ বিভিন্ন কোম্পানীৰ দেনা-পাওনা আদায় দিয়াত বাবে ব্যৱহাৰ কৰা বুলি অভিযোগ নামাত উল্লেখ কৰা হৈছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে তেওঁলোকৰ তদন্তত ৪৩টা স্থাৱৰ সম্পত্তি সাময়িকভাৱে জব্দ কৰা হৈছে আৰু এই সম্পত্তিসমূহৰ মূল্য ৩৮ কোটি ৬৯ লাখ টকা হ'ব বুলি আদালতক অৱগত কৰিছে। তদন্তকাৰী সংস্থাটোৱে ক'লা ধন বৈধ কৰণৰ প্ৰতিৰোধী আইনৰ ৪ নম্বৰ ধাৰাৰ অধীনত অভিযুক্তসকলক কমেও ৭ বছৰ কাৰাদণ্ড বিহিবলৈ আৰু সম্পত্তি জব্দ কৰিবলৈ ন্যায়ালযক অনুৰোধ জনাইছে।

০০০০০০

নাছাই প্ৰকাশ কৰা অনুসৰি স্পেচ এক্সে আমেৰিকা, জাপান আৰু ৰাছিয়াৰ চাৰিজন মহাকাশচাৰীক কালি নিৰাপদে পৃথিৱীলৈ উভতাই আনিছে। নাছাৰ মহাকাশচাৰী এন্নে মেকক্লেইন আৰু নিকোল আয়াৰ্ছ, জাপানৰ মহাকাশচাৰী টাকুয়া অনিছি আৰু ৰাছিয়াৰ মহাকাশচাৰী কিৰিল পেচকোভে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ (আই এছ এছ)ত প্ৰায় ১৪৮ দিন কটোৱাৰ পাছত কালি পৃথিৱীলৈ উভতি আহে। যোৱা মাৰ্চ মাহত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত অৱতৰণ কৰি মহাকাশচাৰীৰ চাৰিজনীয়া দলটোৱে বিজ্ঞানৰ গৱেষণা চলাইছিল। নাছাৰ বিষয়াসকলে ব্লগ পোষ্টত লিখা অনুসৰি, মহাকাশচাৰীৰ দলটোৱে আই এছ এছত থকাৰ সময়ছোৱাত মহাকাশত থকাৰ ফলত মহাকাশচাৰীসকলৰ মানসিক তথা শাৰীৰিক পৰিৱৰ্তন, মগজুৰপৰা হৃদপিণ্ডলৈ তেজৰ চলাচল আদি বিভিন্ন বিষয় অধ্যয়ন কৰিছিল ।

০০০০০০

বিশ্বৰ ৫ নম্বৰ স্থানৰ ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাইছীয়ে কালি কোৱান্টবক্স চেন্নাই গ্ৰেণ্ড মাষ্টাৰ দবা প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত আমেৰিকাৰ জি এম ৰে ৰ'বচনক পৰাস্ত কৰি দ্বিতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হয়। জাৰ্মানীৰ ভিনচেন্ট কেইমাৰ সম্প্ৰতি প্ৰতিযোগিতাৰ প্ৰথম স্থানত আছে। মাষ্টাৰ্ছ শাখাৰ ৰাউণ্ড ৰবিন পৰ্যায়ৰ আৰু ছটা ৰাউণ্ড বাকী থকা অৱস্থাত এৰিগাইছিয়ে ২ দশমিক ৫ পইন্ট লাভ কৰিছে। প্ৰথম স্থানত থকা কেইমেৰে ক্লাছিকেল দবা শিতানত কাৰ্তিকেয়নৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ পাছত ৩ পইণ্টেৰে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতৰ আন এগৰাকী গ্ৰেণ্ড মাষ্টাৰ্ছ ৱিডিত গুজৰাটীয়ে ভাৰতৰে আন এগৰাকী খেলুৱৈ নিহাল ছৰিনৰ বিৰুদ্ধে জয়েৰে প্ৰতিযোগিতালৈ প্ৰত্যাৱৰ্তন কৰিছে।

০০০০০

সমাপ্ত